DAILY ASSAM

# কাঠমিস্ত্ৰীৰ ঘৰ

**ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য :**

কুৰি শতিকাৰ পঞ্চম দশকত অসমীয়া কাব্য সাহিত্যলৈ যথেষ্ট পৰিৱৰ্তন আহে। ৰোমান্টিক কবিতাৰ সৌন্দৰ্য উপাসনাৰ বিপৰীতে অসমীয়া কবিতাত কঠোৰ সমাজ-বাস্তৱতাৰ চিত্ৰ প্ৰকাশ পাবলৈ লয়। এই ক্ষেত্ৰত সামাজিক আৰু বৌদ্ধিক পৰিৱৰ্তনকে মুখ্য কাৰক বুলি কোৱা হয়। নতুন ধৰণে ৰচনা কৰা অসমীয়া কবিতাসমূহক আধুনিক অসমীয়া কবিতা হিচাপে অভিহিত কৰা হয়। আধুনিক অসমীয়া কবিতাৰে এটা গুৰুত্বপূৰ্ণ ধাৰা হ'ল 'প্ৰগতিবাদী ধাৰা'। ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত প্ৰগতিবাদী ধাৰাৰ এগৰাকী অগ্ৰণী কবি আছিল। তেওঁ ১৯৩৯ চনত ৰচনা কৰা 'কাঠমিস্ত্ৰীৰ ঘৰ' কবিতাটোক কেইবাগৰাকীও সমালোচকে শ্ৰেষ্ঠ অসমীয়া প্ৰগতিবাদী কবিতা বুলি অভিহিত কৰিছে। কবি তথা সমালোচক নৱকান্ত বৰুৱাৰ মতে — 'মোক যদি কোনোবাই দহোটা শ্ৰেষ্ঠ অসমীয়া কবিতাৰ নাম সোধে, তাৰ মাজত এটা হ'ব 'কাঠমিস্ত্ৰীৰ ঘৰ'। ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া প্ৰগতিবাদী কবিতাৰ লগত পৰিচয় কৰাই দিয়াৰ উদ্দেশ্যে কবিতাটি নিৰ্বাচন কৰা হৈছে।

**কবি পৰিচিতি :**

ধীৰেন্দ্ৰ চন্দ্ৰ দত্তৰ জন্ম হয় গোলাঘাটৰ কৰুণাটিং বাগিচাত ১৯১০ চনত। তেওঁৰ দেউতাকৰ নাম আছিল ডাঃ শৰৎ চন্দ্ৰ দত্ত আৰু মাকৰ নাম নয়নতৰা।

ধীৰেন্দ্ৰ চন্দ্ৰ দত্তৰ দেউতাকৰ ঘৰ আছিল বৰ্তমান বাংলাদেশৰ ঢাকাৰ ওচৰৰ বিক্ৰমপুৰত। তাৰপৰা আহি তেওঁ গোলাঘাটত নিগাজিকৈ থাকিবলৈ লয়। ধীৰেন্দ্ৰ চন্দ্ৰ দত্তই সৰুতে দেউতাকক হেৰুৱায়। তেওঁ দেৰগাঁও হাইস্কুলত ষষ্ঠ শ্ৰেণীত পঢ়ি থাকোঁতেই আনুষ্ঠানিক শিক্ষা সাং কৰে আৰু ঘৰুৱাভাৱে পঢ়িবলৈ লয়। দেশ আৰু জাতিৰ প্ৰতি থকা সেৱাৰ মনোভাবৰ বাবে এইগৰাকী কবিয়ে ১৯২৮ চনত সক্ৰিয়ভাৱে দেশৰ কামত জঁপিয়াই পৰে। সেই সময়ত ইংৰাজৰ অধীনত থকা ভাৰতবৰ্ষক স্বাধীন কৰাৰ বাবে চলি থকা আন্দোলনত যোগদান কৰি দুবছৰ জেলতো থকিব লগা হয়। দহ বছৰমান আন্দোলনৰ কামত লগাৰ পাছত তেওঁ সাম্যবাদৰ প্ৰতি আকৃষ্ট হয়। জীৱনৰ শেষ সময়লৈকে সাম্যবাদী আদৰ্শ অনুসৰি আপোচহীনভাৱে কৃষক তথা বনুৱাৰ স্বাৰ্থৰ হকে কাম কৰি যায়। ১৯৩৬ চনত তেওঁৰ কাব্য সংকলন 'অভিযান' প্ৰকাশ পায়।

১৯৭২ চনৰ ২২ অক্টোবৰত যোৰহাট অসামৰিক চিকিৎসালয়ত ৰক্তক্ষয় ৰোগত কবি ধীৰেন্দ্ৰ চন্দ্ৰ দত্তৰ মৃত্যু হয়।

**মূল পাঠ ঃ**

ৰাণ্ডাৰ হেঁচা কচ্ কচা কচ্
ঝাণ্ডাৰ দৰে উৰে পট্ পট্
আজাৰ, শিমলু, শাল, শিঙৰিক
দিয়ে ৰূপ মনোহৰ
কাঠ মিস্ত্ৰীৰ ঘৰ।
নিৰস কঠিন বেঁকা-বেঁকি কাঠ
বটালি খুন্দাত উঠে জাঁত জাঁত
ৰূপৰ জপনা মেল খাই উঠে
পাই ৰূপ মনোহৰ
কাঠ মিস্ত্ৰীৰ ঘৰ।

টপাটপ্ পৰে কপালৰ ঘাম
ফেন যায় যায় নাই বিশ্ৰাম;
দিন নাই জিৰাবৰ,
কাঠ মিস্ত্ৰীৰ ঘৰ।
জমি থাকে থাক, সাজে জাকে জাক
প্ৰৱাল দ্বীপৰ শৃঙ্গৰ দৰে
আচ্‌বাবে ভৰে ঘৰ;
কাঠ মিস্ত্ৰীৰ ঘৰ।
টেবুল, চেয়াৰ, আলনা, ড্ৰয়াৰ
সাজে আলমাৰি টিপয় চাহৰ
শত ভঙ্গিত নৱ ৰূপান্বিত
ৰূপ লয় মনোহৰ
কাঠ মিস্ত্ৰীৰ ঘৰ।
বিশ্বৰ যত কৰ্মীৰ দল
তেজ ঢালি গঢ়ে প্ৰাসাদ উজ্জ্বল
মায়াপুৰী মানৱৰ;
কাঠ মিস্ত্ৰীৰ ঘৰ।
হায় হতভাগা থাকে আন্ধাৰত
বিশ্ব শিল্পী মহা বিশ্বৰ
কৰে হাহাকাৰ বিলয় বিকাৰ
প্ৰতিদান নাই কৰ্মৰ
কাঠ মিস্ত্ৰীৰ ঘৰ।
বিলাসীৰ দল আৰামী চকীত
গা ঢালি গায় প্ৰেমৰ সঙ্গীত
মিলনৰ বিৰহৰ—

কাঠ মিস্ত্ৰীৰ ঘৰ।
লাখ মানুহৰ বাহুৰ কৰ্ম
কাঢ়ি গঢ়ি তোলে প্ৰাসাদ হৰ্ম্য,
হয় ডাঙৰীয়া উদাৰ মহৎ
বৰনেতা সমাজৰ
কাঠ মিস্ত্ৰীৰ ঘৰ।
উঠা মিস্ত্ৰী, কঁহাৰ, কমাৰ
আন্ধাৰৰ শেষ আহিল তোমাৰ
লোৱা অধিকাৰ নিজ বাহুবলে
নিজে কৰা কৰ্মৰ,
কাঠ মিস্ত্ৰীৰ ঘৰ।

**কঠিন শব্দৰ অৰ্থ ঃ**

ৰাণ্ডা — কাঠ মিহিকৈ চাঁচিবলৈ মিস্ত্ৰীয়ে ব্যৱহাৰ কৰা সঁজুলি বিশেষ।

ঝাণ্ডা — পতাকা।

বটালি — কাঠ খুলিবলৈ ব্যৱহাৰ কৰা ধাতুৰ এবিধ সঁজুলি।

ফেন যায় যায় — কঠোৰ পৰিশ্ৰমৰ বাবে কাঠমিস্ত্ৰীৰ মুখেৰে ফেন বাহিৰ হয় — এনে অৰ্থ প্ৰকাশ কৰিছে।

প্ৰৱাল দ্বীপ — সাগৰত প্ৰৱাল নামৰ এবিধ প্ৰাণীৰ জঁকা জমা হৈ সৃষ্টি হোৱা দ্বীপ।

টিপয় — চাহ, জলপান আদি পৰিৱেশনৰ বাবে ব্যৱহাৰ কৰা তিনিটা খুৰা থকা মেজ।

| | |
|---|---|
| প্ৰাসাদ | — অট্টালিকা। |
| বিলয় | — নাশ, ধ্বংস। |
| বিকাৰ | — বিকৃতি। |
| হৰ্ম্য | — কাৰেং। |
| জাঁত জাঁত | — ছেও, শব্দ বিশেষ। |
| বিশ্ব শিল্পী মহাবিশ্বৰ | — কাঠমিস্ত্ৰীক কবিয়ে বিশ্ব শিল্পী বুলি অভিহিত কৰিছে। |

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক ১)**

১। 'কাঠমিস্ত্ৰী'ৰ ঘৰ কবিতাটো কিমান চনত ৰচিত?

২। কবি ধীৰেন্দ্ৰ চন্দ্ৰ দত্তৰ এখন কবিতা পুথিৰ নাম লিখা।

৩। কবিতাটিত 'প্ৰৱাল দ্বীপৰ শৃঙ্গৰ দৰে' বুলি কিহৰ কথা কোৱা হৈছে?

৪। কবিতাটিত উল্লেখ থকা বিশ্বশিল্পী কোন?

৫। কাঠমিস্ত্ৰীয়ে নিজৰ অধিকাৰ কেনেকৈ সাব্যস্ত কৰিব লাগিব বুলি কবিতাটিত কোৱা হৈছে?

**(খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। কবিতাটিত উল্লেখ থকা কাঠমিস্ত্ৰীয়ে ব্যৱহাৰ কৰা দুবিধ সঁজুলিৰ নাম লিখা।

২। 'কাঠমিস্ত্ৰীৰ ঘৰ' কবিতাটিৰ বিষয়ে নৱকান্ত বৰুৱাই কি কৈছিল?

৩। কাঠমিস্ত্ৰীয়ে সজা কেইবিধমান আচবাবৰ নাম লিখা।

৪। কাঠমিস্ত্ৰীয়ে কাৰ বাবে কাম কৰে বুলি কবিতাটিত কোৱা হৈছে?

৫। কবিয়ে কাঠমিস্ত্ৰীৰ লগতে আৰু কাক কাক নিজৰ অধিকাৰ কাঢ়ি ল'বলৈ কৈছে?

**(গ) দীঘল প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। কবি ধীৰেন্দ্ৰ চন্দ্ৰ দত্তৰ জীৱন আৰু কৰ্মৰ চমু পৰিচয় দিয়া।

২। কবিতাটিত কাঠমিস্ত্ৰীৰ শ্ৰম আৰু কষ্টৰ চিত্ৰ কেনেদৰে দাঙি ধৰা হৈছে চমুকৈ লিখা।

৩। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা —

'বিশ্বৰ যত কৰ্মীৰ দল
তেজ ঢালি গঢ়ে প্ৰাসাদ উজ্জ্বল'

৪। কাঠমিস্ত্ৰীক কিয় শিল্পী বুলি কোৱা হৈছে?

৫। কাঠমিস্ত্ৰীকে ধৰি শ্ৰমজীৱীসকলে কেনেদৰে নিজৰ অধিকাৰ সাব্যস্ত কৰিব লাগিব বুলি কবিতাটিত কোৱা হৈছে?

**পাঠবোধ ঃ**

শ্ৰমজীৱী ব্যক্তিসকলৰ জীৱনৰ দুৰ্দশাৰ ছবি 'কাঠমিস্ত্ৰীৰ ঘৰ' কবিতাটিত প্ৰকাশ পাইছে। অসহনীয় শাৰীৰিক শ্ৰমৰ বোজা লৈ কাঠমিস্ত্ৰীয়ে সমাজৰ ধনী শ্ৰেণীটোৰ বাবে নানা ধৰণৰ মনোমোহা কাঠৰ আচবাব সাজি দিয়ে। তেওঁলোকৰ চেষ্টাত নীৰস, কঠিন কাঠেও প্ৰাণ পাই উঠে। দেহৰ তেজ পানী কৰি তেওঁলোকে ধনী মানুহৰ বাবে মায়াপুৰীৰ দৰে অট্টালিকা সাজি দিয়ে। কিন্তু ইমানবোৰ কাম কৰাৰ পাছতো তেওঁলোকৰ অভাৱ দূৰ নহয়। তেওঁলোকে নিজৰ শ্ৰমৰ প্ৰকৃত মূল্য কেতিয়াও লাভ নকৰে। ফলত তেওঁলোকৰ জীৱন অন্ধকাৰত ডুব গৈ থাকে। কবিয়ে কাঠমিস্ত্ৰীকে ধৰি সমাজৰ সকলো শ্ৰমজীৱীৰ জীৱনৰ দুৰ্দশাৰ অৱসান বিচাৰিছে। শ্ৰমিকসকলে শ্ৰমৰ উপযুক্ত মূল্য পোৱাটো আশা কৰিছে আৰু তাৰ বাবে শ্ৰমিকসকলক আহ্বান জনাইছে যে তেওঁলোকে যেন নিজ বাহুবলেৰে অধিকাৰ সাব্যস্ত কৰিবলৈ ওলাই আহে।

**ওপৰঞ্চি তথ্য ঃ**

'কাঠমিস্ত্ৰীৰ ঘৰ' কবিতাটি প্ৰথম প্ৰকাশ হৈছিল ১৯৩৯ চনত দধি মহন্তই সম্পাদনা কৰা অসম ছাত্ৰ সন্মিলনৰ মুখপত্ৰ 'মিলন'ত। পৰৱৰ্তী সময়ত

তেওঁৰ সকলো কবিতা 'অভিযান আৰু অন্যান্য কবিতা' নামেৰে একত্ৰে প্ৰকাশ পায়। পাঠ্যপুথিৰ বাবে কবিতাটি এইখন গ্ৰন্থৰপৰা লোৱা হৈছে।

**শিক্ষকৰ প্ৰতি ঃ**

ছাত্ৰ-ছাত্ৰীক প্ৰগতিবাদী কবিতাৰ বৈশিষ্ট্যসমূহ বুজাই ক'ব। এই ধাৰাৰ অসমীয়া কবিতাত সাম্যবাদৰ আদৰ্শ কেনেদৰে প্ৰকাশ পাইছে সেয়া প্ৰসংগক্ৰমে ক'ব পাৰে। কাঠমিস্ত্ৰী, কঁহাৰ, কমাৰ আদি শ্ৰমজীৱী মানুহৰ প্ৰতি সদয় হ'বলৈ আৰু তেওঁলোকৰ শ্ৰমক মৰ্যাদা দিবলৈ ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণিত কৰিব।

●●●